**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-04-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***
***::::::::::::::::::::::::::::::::::::::::::***

## Headlines

১। শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তাৰে সমগ্ৰ দেশৰ লগতে আজি ৰাজ্যজুৰি ঈদ-উল-ফিটৰ উদযাপন।

২। অহা ৭ মে'ত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্য্যাৰ ভোটগ্ৰহণৰ বাবে কাইলৈ অধিসূচনা জাৰি।

৩। লোকসভা নিৰ্বাচনৰ বাবে বিজেপি মিত্ৰজোঁট, কংগ্ৰেছ আৰু বিৰোধী ঐক্য মঞ্চৰ লগতে বিভিন্ন ৰাজনৈতিক নেতাৰ প্ৰচাৰ অভিযান অব্যাহত।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে গুজৰাট টাইটানছৰ জয়লাভ।

০০০০০০০

আজি পৱিত্ৰ ঈদ-উল-ফিটৰ। শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তাৰে সমগ্ৰ দেশৰ লগতে ৰাজ্যতো ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদ-উল-ফিটৰ উদযাপন কৰিব। পৱিত্ৰ ৰমজান মাহৰ এমহীয়া ৰোজাৰ অন্তত আজি পুৱাই সমূহীয়া নামাজ পঢ়িবলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকল ৰাজহুৱা ইদগাহ ময়দান আৰু মহজিদ সমূহৰ চৌহদত সমৱেত হয়। ইফালে ঈদ উপলক্ষে অসমৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই ৰাজ্যবাসীক শুভেচ্ছা জনাইছে। ৰাজ্যপাল কাটাৰীয়াই শুভেচ্ছা বাৰ্তা কয় যে, ঈদৰ এই বিশেষ দিনটোৱেই আমাৰ মাজত বিশ্ব ভাতৃত্বৰ ভাব জগাই তোলে। এই উৎসৱে জনসাধাৰণৰ মাজত বন্ধুত্ব আৰু একতাৰ বান্ধোন অধিক শক্তিশালী কৰি তোলে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ সামাজিক মাধ্যমৰ জৰিয়তে ঈদ-উল-ফিটৰৰ শুভেচ্ছা জনাই তেওঁ কয় যে, এই পৱিত্ৰ উৎসৱে সকলোৰে মাজত শান্তি-সম্প্ৰীতি, সু-স্বাস্থ্য আৰু সুখ-আনন্দ কঢ়িয়াই আনিব।

ইপিনে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ঈদ-উল-ফিটৰ উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞান কৰিছে। শুভেচ্ছা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰী মতী দ্ৰৌপদী মুৰ্মুৱে কয় যে, এই উৎসৱে প্ৰেম, ভাতৃত্ববোধ আৰু একতাৰ বাৰ্তা প্ৰদান কৰে। তেওঁ কয় যে, পৱিত্ৰ ঈদ হৈছে দৰিদ্ৰ আৰু বঞ্চিত লোকসকলক সহায় কৰাৰ লগতে তেওঁলোকৰ সৈতে আনন্দ উপভোগ কৰাৰ সুন্দৰ সময়। এই উৎসৱে সকলোকে শান্তিপূৰ্ণ জীৱন-যাপন কৰিবলৈ আৰু সমাজৰ সমৃদ্ধিৰ বাবে কাম কৰিবলৈ প্ৰেৰণা যোগায় বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে বাৰ্তাটোত উল্লেখ কৰে। আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও পৱিত্ৰ ঈদ-উল-ফিটৰে শান্তি, একতা আৰু গভীৰ মমতাবোধ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

আজি পৱিত্ৰ ঈদ-উল-ফিটৰ উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই উৎসৱ পালন কৰা হয়। কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তত আজি পুৱাৰ পৰাই ঈদৰ সমূহীয়া নামাজ অনুষ্ঠিত হৈছে। জিলাখনৰ ৰঙিয়াৰ, কমলপুৰ,

বেজেৰা, মুক্তাপুৰ, আমিনগাঁও, বাইহাটা, মিৰ্জা, ছয়গাঁও, বকো, নগৰবেৰা, গৰৈমাৰী, বিজয়নগৰত এই উৎসৱ পালন কৰা হয়। আনহাতে গোৱালপাৰা চহৰৰ নয়াপাৰা ঈদগাহ ময়দানত ১০ শহস্ৰাধিক লোকে ঈদৰ নামাজ পঢ়িবলৈ সমৱেত হয়। ইপিনে শিৱসাগৰৰ ৰংঘৰ চাৰিআলি, দৰবাৰ খেলপথাৰ, জেঙনিকটীয়া, ষ্টেচন চাৰিআলি আদি বিভিন্ন স্থানত ঈদৰ সমূহীয়া নামাজৰ বাবে বহু লোকে অংশগ্ৰহণ কৰে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ দিন চমু চাপি অহাৰ সমান্তৰালকৈ ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। লগতে দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবেও দলসমূহে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে।

কালি বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত পাটসাঁকো হাইস্কুল খেলপথাৰত এখন নিৰ্বাচনী সমাৱেশত ভাষণ দিয়াৰ লগতে সমষ্টিটোৰ টীয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত কল্যাণী খেলপথাৰত বিজয় সংকল্প সমাৱেশত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে চৰাইদেউত আয়োজিত প্ৰচাৰ কাৰ্যসূচীতো ভাগ লয়। যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ কালি দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই মাজুলীত প্ৰচাৰ চলায়। তেওঁ ৰাজীৱ ভৱনৰ পৰা গড়মূৰৰ সৰুসত্ৰলৈকে নিৰ্বাচনী প্ৰচাৰ চলায়।

আনহাতে, ডিব্ৰুগড় সমষ্টিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে টিংখাঙৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সমষ্টিটোৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়েও প্ৰচাৰ কাৰ্যসূচীত অংশ লয়।

ইপিনে, বিজেপিৰ সাংসদ, অভিনেতা মনোজ তিৱাৰীয়ে কালি তিনিচুকীয়া আৰু ডুমডুমাত দুটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। তিনিদিনীয়া নিৰ্বাচনী প্ৰচাৰৰ কাৰ্যসূচীৰে অসমলৈ অহা আম আদমী পাৰ্টীৰ নেত্ৰী আতিশীয়ে শোণিতপুৰ সমষ্টিৰ দলৰ প্ৰাৰ্থী ঋষিৰাজ কৌন্দিন্যৰ হৈ প্ৰচাৰ চলায়।

অসম গণ পৰিষদ দলে কালি গোলাঘাট জিলাৰ তিনিটা বিধানসভা সমষ্টিত কাজিৰঙা লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যাপ্ৰসাদ তাছাৰ সমৰ্থনত প্ৰচাৰ সভা অনুষ্ঠিত কৰে। এই সভাত অসম গণ পৰিষদ দলৰ নেতা তথা কৃষি মন্ত্ৰী অতুল বৰা আৰু ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। ইপিনে, তৃতীয় পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া বৰপেটা লোকসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীয়ে প্ৰচাৰ অব্যাহত ৰাখিছে। প্ৰাৰ্থীগৰাকীয়ে কালি জিলাখনৰ সুন্দৰীদিয়াৰ লগতে আন কেইবাটাও স্থানত প্ৰচাৰ চলায়। সমষ্টিটোত কংগ্ৰেছ দলৰ প্ৰাৰ্থী দীপ বায়নেও প্ৰচাৰ অব্যাহত ৰাখিছে। একেদৰে তৃতীয় পৰ্যায়ৰ নিৰ্বাচন হ'বলগীয়া গুৱাহাটী লোকসভা সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধি আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে প্ৰচাৰ অব্যাহত ৰাখিছে।

কোকৰাঝাৰ লোকসভা সমষ্টিৰ বিভিন্ন স্থানত সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীয়ে কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়।

আনহাতে, গোলাঘাট জিলাত কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়ে কালি বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত কাজিৰঙাৰ বাগিচা অঞ্চলত প্ৰচাৰ চলায়। ইয়াৰ উপৰি ৰাজ্যত তৃণমূল কংগ্ৰেছ, এ আই ইউ ডি এফ আদি দলসমূহেও নিজ নিজ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ সভাৰ আয়োজন কৰাৰ উপৰি ঘৰে ঘৰে গৈও প্ৰচাৰ অব্যাহত ৰাখিছে।

ইফালে, নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে দুদিনীয়া কাৰ্যসূচীৰে অহা ১৬ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ অহাৰ কথা। আনহাতে, কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও অহা ১৭ এপ্ৰিলত যোৰহাটৰ কংগ্ৰেছ তথা সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ প্ৰচাৰ চলোৱাৰ কথা। তেওঁ ডিব্ৰুগড়ৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতিৰ গগৈৰ হৈও প্ৰচাৰ চলাব বুলি জানিব পৰা গৈছে।

০০০০০০০

ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিগবৈ বিধানসভা সমষ্টিৰ কেইবাটাও স্থানত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। বুঢ়ীদিহিং মণ্ডলত প্ৰাৰ্থীগৰাকীয়ে টঙনা ৰাজহুৱা প্ৰেক্ষাগৃহ, দুই নম্বৰ বেটনী ৰংগমঞ্চ, দুৱাৰমৰা আদৰ্শ গাঁও খেলপথাৰ আৰু পেঙেৰী প্ৰগতিশীল সংঘৰ লগতে ডিগবৈ মণ্ডলত খেৰজান বিহুতলী, মুলিয়াবাৰী নৱ যুৱক সংঘ, কালিপূজা খেলপথাৰ, মিছনপাৰা আৰু কালীবাৰী হাউছিং এলেকাত প্ৰচাৰ চলাব।

ইপিনে, সমষ্টিটোৰ বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে আজি টিংখা বিধানসভা সমষ্টিত কেইবাটাও নিৰ্বাচনী প্ৰচাৰৰ কাৰ্যসূচীত ভাগ ল'ব। প্ৰাৰ্থীগৰাকীয়ে মদাৰগুৰি ৰাজহুৱা খেলপথাৰ, নামদাং চাৰিআলি ৰাজহুৱা খেলপথাৰ, দীঘলীয়া খেলপথাৰ, পিঠাগুটি ৰাজহুৱা খেলপথাৰ, লংবৈ ৰাজহুৱা খেলপথাৰ, সৰুজিনী বাগান বজাৰ প্ৰেক্ষাগৃহ, গেলাদিচাং ৰাজহুৱা প্ৰেক্ষাগৃহ আৰু ৰাজগড়ত আজি প্ৰচাৰ চলাব।

আনহাতে, বিজেপি মিত্ৰজোঁটৰ যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে আজি তিতাবৰ আৰু মাজুলীত ১২ খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। দলটোৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই প্ৰাৰ্থীগৰাকীক সংগ দিব। সমান্তৰালকৈ সমষ্টিটোৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি ১৪ খন নিৰ্বাচনী সভাত ভাগ ল'ব। তিতাবৰ, শিৱসাগৰ আৰু যোৰহাট নিমাতীত অনুষ্ঠিত হ'বলগীয়া এই সভা কেইখনত শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈৰ লগতে কেইবাগৰাকী জ্যেষ্ঠ নেতা উপস্থিত থাকিব।

০০০০০০০

অহা ৭ মে'ত অনুষ্ঠিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। তৃতীয় পৰ্যায়ত অসমৰ লগতে পশ্চিমবংগৰ ৪ খন তথা গুজৰাটৰ ২৬, কৰ্ণাটকৰ ১৪, মহাৰাষ্ট্ৰৰ ১১, উত্তৰ প্ৰদেশৰ ১০, মধ্যপ্ৰদেশৰ ৮, ছত্তিশগড়ৰ ৭, বিহাৰৰ ৫, গোৱা আৰু দাদৰা আৰু নগৰহাৱেলি তথা দমন আৰু ডিউৰ দুখনকৈ, জম্মু-কাশ্মীৰত এখন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। অহা ১৯ এপ্ৰিলৰ পৰা মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হ'ব।

০০০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে কালি দশমখন প্ৰাৰ্থী তালিকা ঘোষণা কৰে। এই তালিকাত চণ্ডীগড়, উত্তৰপ্ৰদেশ আৰু পশ্চিমবংগকে ধৰি তালিকাখনত মুঠ ৯ টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে, এই ৯টা সমষ্টিত বিজেপিয়ে ৮টাতে পূৰ্বাৰ প্ৰাৰ্থী আঁতৰাই নতুন প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে।

০০০০০০০

অসম আৰক্ষীৰ মুখ্যমন্ত্ৰী তদাৰকী শাখাই চলোৱা তদন্তত অৱসৰপ্ৰাপ্ত আই এছ বিষয়া ইন্দ্ৰেশ্বৰ কলিতাই বৈধ উপাৰ্জনতকৈ বহু বেছি পৰিমাণৰ সম্পত্তি অৰ্জন কৰাৰ তথ্য পোহৰলৈ আহিছে। তদাৰকী শাখাই প্ৰকাশ কৰা তথ্য অনুসৰি কলিতাৰ সম্পত্তিৰ পৰিমাণ উপাৰ্জনতকৈ প্ৰায় ৩০০ গুণ বেছি। কালি মুখ্যমন্ত্ৰী তদাৰকী শাখাৰ কাৰ্যালয়ত বিষয়াজনক জেৰা কৰা হয়। জেৰাৰ সময়ছোৱাত আৰক্ষীয়ে ইন্দ্ৰেশ্বৰ কলিতাৰ সম্পত্তি সন্দৰ্ভত বহু গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ আহিছে। আৰক্ষীয়ে গুৱাহাটী মহানগৰীৰ কেইবাটাও স্থানত ভূ-

সম্পত্তিৰ সন্ধান পাইছে। কালি আৰক্ষীয়ে ইন্দ্ৰেশ্বৰ কলিতাৰ পত্নী আৰু কন্যাৰ বেংক ল'কাৰতো তালাচী চলায়।

0000000

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণ আৰু চৰাইদেউ জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আজি দিনৰ ১০ বজাত চৰাইদেউ জিলাত অৱস্থিত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত চৌহদত এখন ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰাৰ ৩২৩, ৩৪১, ৩৪২, ৪৪৮, ৫০৬, ৩৫২ আদিৰ অন্তৰ্গত বিভিন্ন গোচৰৰ লগতে পাৰিবাৰিক কন্দলজনিত, দেৱানী, চেক বাউন্স, মটৰ দুৰ্ঘটনা আদি বিভিন্ন গোচৰ নিস্পত্তি কৰা হ'ব। চৰাইদেউ জিলা আইনসেৱা প্ৰাধীকাৰীৰ ফালৰ পৰা ইচ্ছুক ব্যক্তিসকলক নিস্পত্তি কৰিব বিচৰা অমীমাংসিত গোচৰসমূহৰ বাবে যাৱতীয় নথি-পত্ৰ সহ আজি আদালতত নিজে উপস্থিত থাকিবলৈ জনোৱ হৈছে। অধিক তথ্যৰ বাবে চৰাইদেউ জিলা আইন সেৱা প্ৰাধীকাৰীৰ কাৰ্যালয়ত ৭৮৯৬১ ৩০৩১২ বা ৯৯৫৪৪ ১৫৭৬২ ফোনম্বৰত যোগাযোগ কৰিব পাৰিব।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি নিশা গুজৰাট টাইটানছে ৰাজস্থান ৰয়েলছক ৩ উইকেটত পৰাজিত কৰে। তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ খেলখনৰ অন্তিমটো বলত ৰছিদ খানৰ বাউণ্ডেৰীৰ সহায়ত গুজৰাট টাইটানছ জয়ী হয়।

জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৩ উইকেটৰ বিনিময়ত ১৯৬ ৰান কৰে। ৰাজস্থানৰ হৈ ৰিয়ান পৰাগে ৪৮টা বলত ৭৬ ৰান কৰাৰ বিপৰীতে অধিনায়ক সঞ্জু ছেমছনে ৩৮টা বলত ৬৮ ৰান কৰি অপৰাজিত হৈ ৰয়। প্ৰত্যুত্তৰত গুজৰাট টাইটানছে খেলখনৰ অন্তিমটো বলত ৭ উইকেটৰ বিনিময়ত ১৯৯ ৰান কৰি বিজয় সাব্যস্ত কৰে। দলটোৰ হৈ অধিনায়ক শুভমন গিলে ৪৪টা বলত ৭২ ৰানৰ বৰঙনি আগবঢ়ায়। এটা উইকেট দখল কৰাৰ লগতে ১১টা বলত ২৪ ৰান কৰি দলৰ বিজয়ত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা ৰছিদ খানক শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

প্ৰতিযোগিতাত আজি মুম্বাই ৱাংখেড়ে ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

0000000

**News Paper Review 11-04-2024**

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত দৈনিক বাতৰিসমূহে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বিভিন্ন বাতৰি প্ৰকাশ কৰিছে। নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জুলাইত চৰাইদেউ বিশ্ব ঐতিহ্য হব বুলি কৰা এটা ঘোষণাক দৈনিক জনমভূমি কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে তথ্য বিজ্ঞান আৰু পেট্ৰলিয়াম ইঞ্জিনিয়াৰিং বিষয়ত বিশ্বৰ শীৰ্ষ বিশ্ববিদ্যালয়ৰ মাজত IIT গুৱাহাটী য়ে স্থান লাভ কৰাৰ সন্দৰ্ভত এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শান্তি আৰু সম্প্ৰীতিৰ হকে বিটিআৰ অঞ্চলত সমন্বয় সুনিশ্চিত কৰিবলৈ বিটিচি প্ৰশাসনে BTR happiness mission মুকলি কৰাৰ সন্দৰ্ভত The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰঙালিৰ বজাৰত ২৫% পৰ্য্যন্ত মূল্য বৃদ্ধিৰ হোৱা আৰু ফাঁচীবজাৰৰ অসাধু চক্ৰৰ

বিৰূদ্ধে প্ৰশাসন ৰহস্যজনকভাৱে নীৰৱ হৈ পৰাক লৈ অসমীয়া প্ৰতিদিন কাকতে বাতৰি এটা প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শদিয়াৰ আৰক্ষী অধীক্ষকৰ স্বাক্ষৰ জাল কৰি ঋণ আদায় কৰাৰ অভিযোগত এজন গৃহৰক্ষী জোৱানকে ধৰি পাঁচজনক গ্ৰেপ্তাৰ কৰাৰ বাতৰি গুৱাহাটীৰ পৰা আজি প্ৰকাশিত কাকতসমূহে প্ৰথম পৃষ্ঠাত স্থান দিয়া পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছে নেতা ৰাহুল গান্ধী অসমলৈ আহিলে প্ৰতিটো সমষ্টিতে বিজেপিৰ ভোট বাঢ়িব বুলি কৰা মন্তব্যক লৈ এটা বাতৰি নিয়মীয়া বাৰ্তা আৰু অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বিভ্ৰান্তিকৰ বিজ্ঞাপন প্ৰচাৰত অভিযুক্ত ৰামদেৱ আৰু পতঞ্জলি আয়ুৰ্বেদৰ পৰিচালন সঞ্চালকৰ ক্ষমা আৱেদন নাকচ কৰি উচ্চতম ন্যায়ালয়ে ভৰ্তসনা কৰাৰ লগতে উত্তৰাখণ্ড চৰকাৰক সমালোচনা কৰাৰ সন্দৰ্ভত দৈনিক অসম কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ব্যক্তিগত আৱাসৰ চাতৰপৰা পৰি কটনৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ছাত্ৰী কলিনা বৰুৱাৰ ৰহস্যজনক মৃত্যুক লৈ প্ৰায়কেইখন কাকতেই প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বান প্ৰস্তুতিক লৈ অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ৪০ তা বিভাগৰ সৈতে আলোচনা কৰাৰ বাতৰি এটা The Sentinel কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে অৰবিন্দ কেজৰিৱালক মুখ্যমন্ত্ৰী পদবীৰ পৰা অপসাৰণ বিচাৰি কৰা আৱেদন নাকচ, দিল্লীৰ মন্ত্ৰী ৰাজকুমাৰ আনন্দৰ পদত্যাগ , ১৬ এপ্ৰিলত যোৰহাট ডিব্ৰগড়ত প্ৰচাৰ চলাবলৈ আহিব প্ৰিয়ংকা গান্ধী, ২৩ এপ্ৰিলত উচ্চতম ন্যায়ালয়ত কা গোচৰৰ শুনানি, প্ৰচাৰৰ মাজতে ৰাজ্যত নগদ ১১ কোটি টকা জব্দ, High court awaits updated report on Right to Education implementation, মাজ আকাশত বিমানযাত্ৰীৰ প্ৰাণৰক্ষা কৰিলে অসমৰ চিকিৎসক ডা: বাবুল বেজবৰুৱাই। ইত্যাদি।

এয়াই আছিল গুৱাহাটীৰপৰা আজি প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooooo

কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে কৈছে যে, দেশৰ বৈচিত্ৰ্যতাক সুৰক্ষা প্ৰদান কৰাৰ লগতে গণতন্ত্ৰ ৰক্ষা কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। কোহিমাত কালি এখন সংবাদ মেলত ৰমেশে কয় ভাৰতৰ বৈচিত্ৰতা দুৰ্বল কৰাৰ উদ্দেশ্যে আৰ এছ এছ আৰু বিজেপিয়ে এখন ৰাষ্ট্ৰ-- এটা নিৰ্বাচন, এটা কৰ ব্যৱস্থা, এটা দল তথা এগৰাকী নেতাৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। তেওঁ কয় যে, বিজেপি নেতৃত্বাধীন চৰকাৰখনে সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ নোহোৱা কৰিছে। একেখন চৰকাৰেই ৩৭১ নম্বৰ অনুচ্ছেদ নোহোৱা কৰিব বুলিও তেওঁ চিন্তা প্ৰকাশ কৰে।

সাধাৰণ সম্পাদকগৰাকীয়ে নাগালেণ্ডৰ শাসনাধিষ্ঠিত চৰকাৰখনকো সমালোচনা কৰে যিখন চৰকাৰে বিৰোধী অবিহনে কাম-কাজসমূহ চলাই আছে। তেওঁ কয় যে, এখন গণতন্ত্ৰত বিৰোধীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শ্ৰীৰমেশে লগতে জনসাধাৰণৰ বাবে কংগ্ৰেছে নিৰ্ধাৰণ কৰা ৫টা ন্যায়ৰ প্ৰতিশ্ৰুতি সন্দৰ্ভতো আলোকপাত কৰে। তেওঁ কয় যে, গণতন্ত্ৰ সংৰক্ষণৰ বাবে ২০২৪ৰ লোকসভা নিৰ্বাচন অত্যন্ত গুৰুত্বপূৰ্ণ আৰু সেয়েহে ৰাষ্ট্ৰীয় পৰ্যায়ত কংগ্ৰেছৰ নেতত্বৰ প্ৰতি আস্থা আৰু সমৰ্থন আগবঢ়াবলৈ তেওঁ জনসাধাৰণক আহ্বান

জনায়। তেওঁ লগতে গণতন্ত্ৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে দলৰ প্ৰয়াসক সহায় কৰাৰ বাবে ৰাজ্যখনত কংগ্ৰেছৰ প্ৰাৰ্থীক সমৰ্থন আগবঢ়াবলৈও সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০০

**সমাপ্ত**